**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-09-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বাৰাণসীত মৰিছাছৰ প্ৰধানমন্ত্ৰী নবীন চন্দ্ৰ ৰামগুলামৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

২। পাকিস্তানৰ বিবৃতি ভুৱা আৰু ভিত্তিহীন বুলি অভিহিত কৰি ভাৰতে ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদত দেশখনক তীব্ৰ সমালোচনা কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় নাগৰিকসকলক ৰাছিয়াৰ সেনা বাহিনীত যোগদান কৰাৰ প্ৰস্তাৱৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনাইছে।

৪। নেপালত আজি অন্তৰৰ্তী চৰকাৰৰ নেতৃত্বৰ বিষয়টো লৈ যুৱ প্ৰতিবাদসকলৰ সৈতে আলোচনা অনুষ্ঠিত হ'ব।

আৰু

৫। ভাৰতৰ সাত্বিকচাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ ছেট্টীৰ যুটীটোৱে হংকং অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত পুৰুষৰ ডাবল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মৰিছাছৰ প্ৰধানমন্ত্ৰী নবীন চন্দ্ৰ ৰামগোলামৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হোৱাৰ উদ্দেশ্যে উত্তৰ প্ৰদেশৰ বাৰাণসীত উপস্থিত হৈছে। প্ৰধানমন্ত্ৰী মোদীক বাৰাণসী বিমান বন্দৰত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে আদৰণি জনায়।

১৬ ছেপ্তেম্বৰ পৰ্যন্ত ভাৰত ভ্ৰমণলৈ অহা মৰিছাচৰ প্ৰধানমন্ত্ৰীগৰাকী কালি সন্ধিয়া বাৰাণসীত উপস্থিত হয়। বাৰাণসীত উপস্থিত হোৱাৰ পাছত উত্তৰ প্ৰদেশৰ ৰাজ্যপাল আনন্দীবেন পেটেলে তেওঁক আদৰণি জনায়। যোৱা মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মৰিছাচ ভ্ৰমণৰ পাছত দেশখনৰ প্ৰধানমন্ত্ৰী ৰামগুলামক এই ভাৰত যাত্ৰা গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। প্ৰধানমন্ত্ৰী মোদীৰ মৰিছাচ ভ্ৰমণৰ সময়ত দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰা সন্দৰ্ভত আলোচনাত মিলিত হৈছিল। বাৰাণসীত দুয়োগৰাকী নেতাৰ মাজত হ'বলগীয়া দ্বিপাক্ষিক আলোচনাত অংশীদাৰিত্ব শক্তিশালী কৰা সামৰ্থ বিকাশত বিশেষ গুৰুত্ব দি সহযোগিতাৰ সকলো দিশ সামৰি পৰ্যালোচনা কৰিব। দুয়োগৰাকী নেতাই স্বাস্থ্য, শিক্ষা, বিজ্ঞান আৰু প্ৰযুক্তি, শক্তি, আন্তঃগাঁথনি আদিৰ লগতে নৱীকৰণযোগ্য শক্তি, ডিজিটেল আন্তঃগাঁথনি আদিৰ ক্ষেত্ৰত সহযোগিতা অধিক বৃদ্ধি কৰাৰ বিষয়ত আলোচনা কৰিব।

ইয়াৰ পাছত সন্ধিয়াৰ ভাগলৈ প্ৰধানমন্ত্ৰী মোদীয়ে বিমানেৰে উত্তৰাখণ্ডৰ বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰ্যবেক্ষণ কৰিব।

০০০০০০০০০

পাকিস্তানৰ বিবৃতি ভুৱা আৰু ভিত্তিহীন বুলি অভিহিত কৰি ভাৰতে ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদত দেশখনক তীব্ৰ সমালোচনা কৰিছে। জেনেভাত অনুষ্ঠিত পৰিষদৰ ৬০ সংখ্যক অধিৱেশনত ভাৰতৰ স্থায়ী মিছনৰ উপদেষ্টা ক্ষিতিশ ত্যাগীয়ে পাকিস্তানে সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা আৰু অপ-প্ৰচাৰ চলোৱাৰ বাবে আন্তঃৰাষ্ট্ৰীয় মঞ্চসমূহৰ অপ ব্যৱহাৰ কৰা বুলি অভিযোগ তোলে। এই প্ৰসংগত তেওঁ পুলৱামা, উৰি, পাঠানকোট আৰু মুম্বাইৰ উপৰি অলপতে পেহেলগামত সংঘটিত আক্ৰমণৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে পাকিস্তানে সন্ত্ৰাসবাদী সংগঠন অল-কায়দাৰ মুৰব্বী ওছামা বিন লাডেনকো আশ্ৰয় দিছিল। ভাৰতৰ বিৰুদ্ধে অপপ্ৰচাৰ চলোৱাৰ বাবে পাকিস্তানে ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদ আৰু ইছলামীয় সহযোগিতা সংস্থাৰ দৰে আন্তঃৰাষ্ট্ৰীয় মঞ্চসমূহৰ অপব্যৱহাৰ কৰি আহিছে বুলি ভাৰতে অভিযোগ তোলে।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় নাগৰিকসকলক ৰাছিয়াৰ সেনা বাহিনীত যোগদান কৰাৰ প্ৰস্তাৱৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনাইছে। সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণ্ধীৰ জয়ছোৱালে কয়, যে

একাংশ ভাৰতীয় নাগৰিকক অলপতে ৰাছিয়াৰ সেনা বাহিনীত নিয়োজিত কৰাৰ বাতৰি পোৱা গৈছে। তেওঁ কয়, যে চৰকাৰে বিগত এটা বছৰত এনেধৰণৰ কামৰ বিপদাশংকা আৰু ভয়াৱহ পৰিণামৰ বিষয়ে অৱগত কৰি আহিছে আৰু নাগৰিকসকলক সতৰ্ক কৰি দিছে। শ্ৰী জয়ছোৱালে লগতে কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰাছিয়াৰ বিভিন্ন কৰ্তৃপক্ষৰ সৈতে বিষয়টো উত্থাপন কৰিছে আৰু এনেধৰণৰ নিযুক্তি বন্ধ কৰিবলৈ তথা ভাৰতীয় নাগৰিকসকলক মুকলি কৰি দিবলৈ অনুৰোধ জনাইছে। চৰকাৰে প্ৰভাৱিত ভাৰতীয় নাগৰিকসকলৰ পৰিয়ালবৰ্গৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰি আছে বুলি শ্ৰী জয়ছোৱালে উল্লেখ কৰে।

ooooooooo

নেপালত চলি থকা ৰাজনৈতিক অচলাৱস্থাৰ মাজতে ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ প'ডেল, দেশখনৰ স্থল সেনা বাহিনীৰ মুৰব্বী অশোক ৰাজ ছিগডেল আৰু যুৱ প্ৰতিবাদকাৰীৰ প্ৰতিনিধিবৰ্গৰ সৈতে আজি অন্তৰ্বৰ্তী চৰকাৰৰ নেতৃত্বৰ বিষয়টো লৈ আলোচনা অনুষ্ঠিত হ'ব। যুৱ প্ৰতিবাদকাৰীৰ প্ৰতিনিধিবৰ্গই প্ৰাক্তন মুখ্য ন্যায়াধীশ সুশীলা কাৰ্কিক অন্তৰ্বৰ্তী প্ৰধানমন্ত্ৰী পদৰ বাবে মনোনীত কৰিছে।

নেপালত সেনা বাহিনীৰ সৈতে যুৱ প্ৰতিবাদকাৰীৰ আলোচনাত প্ৰত্যক্ষভাৱে নিৰ্বাচিত কাৰ্যপালিকা, যুৱ প্ৰজন্মক অন্তৰ্ভুক্ত কৰাৰ বাবে যুক্তৰাষ্ট্ৰীয় সংসদীয় নিৰ্বাচন, ২০৪৬ বিক্ৰম সম্বত অৰ্থাৎ ১৯৮৯ খ্ৰীষ্টাব্দত ৰাজহুৱা পদত অধিষ্ঠিত সকলো বিষয়াৰ সম্পত্তিৰ তদন্তৰ লেখীয়া ভালেমান বিষয়ে স্থান লাভ কৰে। বৈঠকত দুৰ্নীতিৰ গোচৰসমূহৰ ন্যায়িক তদন্ত আৰু সাংসদসকলক মন্ত্ৰী হোৱাৰ পৰা বাৰণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণকে ধৰি আন ভালেমান বিষয় লৈ আলোচনা কৰা হয়।

ইপিনে, চি পি এন মাওবাদীৰ সভাপতি তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী পুষ্প কমল দাহাল প্ৰচণ্ডই যুৱ প্ৰজন্মৰ নেতৃত্বত চলি থকা আন্দোলন সন্দৰ্ভত দলৰ আনুষ্ঠানিক স্থিতি সন্দৰ্ভত ১০ দফীয়া বিশদ প্ৰেছ বিজ্ঞপ্তি জাৰি কৰিছে। এই বিজ্ঞপ্তিত আন্দোলনৰ প্ৰতি সংহতি প্ৰকাশ কৰি সংযম বৰ্তাই ৰাখিবলৈ আৰু হিংসাত্মক ঘটনাৰ স্বতন্ত্ৰ ন্যায়িক তদন্তৰ বাবে আহ্বান জনোৱা হৈছে।

ooooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি লক্ষ্ণৌ, তিৰুৱনন্তপুৰম, ত্ৰীচি, কালিকট আৰু অমৃতসৰ বিমান বন্দৰত ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে FAST TRACK IMMIGRATION- বিশ্বাসযোগ্য যাত্ৰী কাৰ্যসূচী উদ্বোধন কৰে। ইয়াৰ জৰিয়তে ভিন ভিন কামত বিদেশলৈ যাত্ৰা কৰা লোকসকলৰ পাছপ'ৰ্টকে ধৰি যাৱতীয় নথি-পত্ৰ পৰীক্ষাৰ প্ৰক্ৰিয়া দ্ৰুত, সৰল আৰু সুৰক্ষিত কৰাৰ লক্ষ্য লোৱা হৈছে। এই ব্যৱস্থাই ভাৰতীয় নাগৰিক আৰু প্ৰবাসী লোকসকলক অধিক সুবিধা প্ৰদান কৰিব। বিমান বন্দৰৰ ই-প্ৰৱেশদ্বাৰ অথবা স্বয়ংচালিত প্ৰৱেশদ্বাৰসমূহৰ এই ব্যৱস্থা থাকিব। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে FAST TRACK IMMIGRATION ব্যৱস্থা হৈছে এটা বিশ্বাসযোগ্য কাৰ্যসূচী, যিয়ে IMMIGRATION প্ৰক্ৰিয়া সৰল আৰু বাধাহীন কৰি তুলিব। এই ব্যৱস্থাই যাত্ৰীৰ সুবিধা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা – দুয়োটাৰে প্ৰসাৰ কৰিব বুলি শ্ৰী শ্বাহে উল্লেখ কৰে। তেওঁ কয়, যে যোৱাবছৰ দিল্লীত এই কাৰ্যসূচী মুকলি কৰা হৈছিল আৰু বৰ্তমানলৈকে দেশৰ মুঠ ১৩ টা বিমানবন্দৰত এই ব্যৱস্থা আৰম্ভ কৰা হৈছে। এই পৰ্টেলত এতিয়ালৈকে ৩ লাখ যাত্ৰীয়ে পঞ্জীয়ন কৰিছে বুলি তেওঁ প্ৰকাশ কৰে।

ooooooooo

দিল্লী আৰক্ষীৰ বিশেষ শাখাই সন্ত্ৰাসবাদী সংগঠনৰ ঘাটি উৎখাত কৰে আৰু বিভিন্ন ৰাজ্যৰ পৰা পাঁচজন সন্দেহযুক্ত সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰে। নতুন দিল্লীত আজি এখন সংবাদমেলত বিশেষ শাখাৰ অতিৰিক্ত আৰক্ষী আয়ুক্ত প্ৰমোদ সিং কুশ্বৰাহাই এই কথা প্ৰকাশ কৰি কয়, যে সন্ত্ৰাসবাদী কেইজনক দিল্লী, ঝাৰখণ্ড, তেলেংগানা আৰু মধ্য প্ৰদেশৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছে। দিল্লী আৰক্ষীয়ে সন্ত্ৰাসবাদী কেইজনৰ পৰা বিস্ফোৰক সামগ্ৰী নিৰ্মাণত ব্যৱহাৰ কৰা সামগ্ৰী উদ্ধাৰ কৰে বুলি অতিৰিক্ত আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে ঝাৰখণ্ডৰ ৰাঁচীৰ নিবাসী মূল অভিযুক্ত আছহাৰ দানিছে পাকিস্তানৰ হেণ্ডলাৰৰ সৈতে যোগাযোগত আছিল আৰু তেওঁৰেই গোটটোৰ বাকীকেইজন সদস্যক যোগাযোগ কৰিছিল।

ooooooooo

উচ্চতম ন্যায়ালয়ে অহা ১৪ ছেপ্তেম্বৰত ডুবাইত ভাৰত আৰু পাকিস্তানৰ মাজত হ’বলগীয়া এছিয়া কাপ টী-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ খেলখন বাতিল কৰাৰ বাবে অনুৰোধ জনাই দাখিল কৰা এখন আবেদনৰ তাৎক্ষণিক শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে। ন্যায়াধীশ জে কে মহেশ্বৰী আৰু বিজয় বিষ্ণু’ইক লৈ গঠিত এখন বিচাৰপীঠে আজি এখন জনস্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি খেলখন হোৱা উচিত বুলি মন্তব্য কৰে।

আইনৰ চাৰিগৰাকী ছাত্ৰই খেলখন বাতিল কৰাৰ বাবে অনুৰোধ জনাই দাখিল কৰা জনস্বাৰ্থজড়িত আবেদনখনত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণ আৰু অপাৰেচন সিন্দূৰৰ পাছত পাকিস্তানৰ সৈতে খেলত অৱতীৰ্ণ হোৱাৰ দৰে কাৰ্যই ৰাষ্ট্ৰীয় মৰ্যাদাক অৱহেলা কৰে আৰু সশস্ত্ৰ বাহিনী আৰু ছহিদসকলৰ পৰিয়ালৰ ভাৱনাত আঘাত হানে বুলি যুক্তি আগবঢ়োৱা হৈছে। ক্ৰিকেট কেতিয়াও ৰাষ্ট্ৰীয় স্বাৰ্থ সুৰক্ষা অথবা নাগৰিকৰ জীৱনতকৈ ঊৰ্ধত হ’ব নোৱাৰে বুলি দাবী কৰা হৈছে।

০০০০০০০০০

ভাৰতৰ সাত্বিকচাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ ছেট্টীৰ যুটীটোৱে হংকং অ’পেন বেডমিণ্টন প্ৰতিযোগিতাত পুৰুষৰ ডাবল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। সাত্বিক আৰু চিৰাগৰ যুটীটোৱে আজি প্ৰি কোৱাৰ্টাৰ ফাইনেলত থাইলেণ্ডৰ পিৰাট্‌ছাই চুকফোন আৰু পক্কাপন টিৰাটচাকুলৰ যুটিটোক ১৮-২১, ২১-১৫, ২১-১১ গেমত পৰাস্ত কৰে। ভাৰতীয় যুটিটো কাইলৈ কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়াৰ জুনেইদি আৰিফ আৰু ৰয় কিং য়াপৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০০০০০

ভাৰতে ইংলেণ্ডৰ লিভাৰপুলত অনুষ্ঠিত বিশ্ব বক্সিং চেম্পিয়নশ্বিপত তিনিটা পদক নিশ্চিত কৰিছে। ভাৰতৰ জেচমিন লেম্ব’ৰিয়া, নুপুৰ শ্বিঅ’ৰান আৰু পূজা ৰাণীয়ে প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ৩৪ বছৰীয়া ৰাণীয়ে যোৱানিশা ৮০ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত পোলেণ্ডৰ এমিলিয়া কোটেৰস্কাক ৩-২ ফলাফলত পৰাভূত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। ইয়াৰ পূৰ্বে শ্বিঅ’ৰানে ৮০ কিলোগ্ৰামৰ অধিক ওজন শাখাত উজবেকিস্তানৰ অল্টিনিয় ছতিমবয়েভাক পৰাভূত কৰে। একেদৰে জেচমিনেও নিজৰ ওজন শাখাৰ অন্তিম চাৰিগৰাকী খেলুৱৈৰ ভিতৰত স্থান নিশ্চিত কৰি দেশৰ বাবে পদক নিশ্চিত কৰে। অৱশ্যে দুবাৰৰ চেম্পিয়ন তথা অলিম্পিকত দুবাৰকৈ ৰূপৰ পদক বিজেতা নিখাট জৰিন ৫১ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত তুৰস্কৰ বুছে নাজ কাকিৰ’গ্লুৰ হাতত ৫-০ ফলত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়।

০০০০০০০০০

সমাপ্ত